**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 14-09-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত অষ্টাদশ ব্ৰীকছ্ শীৰ্ষ সন্মিলনৰ কালি সামৰণি পৰে।

২। দেশজুৰি আজি হিন্দী দিৱস উদযাপন কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নৱী মুম্বাইত ষষ্ঠ সৰ্বভাৰতীয় ৰাজভাষা সন্মিলন আৰু হিন্দী দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে অহা ১৭ ছেপ্তেম্বৰৰ পৰা ৰাষ্ট্ৰজুৰি মাহজোৰা সেৱা সংকল্প অভিযান আয়োজন কৰা হ'ব বুলি কালি ঘোষণা কৰিছে

৪। চীনৰ মকীত অনুষ্ঠিত জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰতৰ পুৰুষ আৰু মহিলা দলে খিতাপ দখল কৰিছে। *আৰু*

৫। মহিলাৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতে শ্ৰীলংকাক ৭২ ৰানত পৰাস্ত কৰি অষ্টমবাৰৰ বাবে এছিয়া কাপৰ খিতাপ দখলৰ অভিলেখ গঢ়ে।

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত অষ্টাদশ ব্ৰীকছ্ শীৰ্ষ সন্মিলনৰ কালি সামৰণি পৰে। শীৰ্ষ সন্মিলনখনৰ অন্তিম দিনা অনুষ্ঠিত মুকলি অধিৱেশনৰ সামৰণি ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ব্ৰিকছ্ৰ বিবিধতা ইয়াৰ পৰিচয় আৰু সহযোগিতা ইয়াৰ অনুপ্ৰেৰণা হৈ ৰোৱা উচিত তথা ব্ৰিকছ্ৰ প্ৰগতিয়ে মানৱতাৰ ক্ষেত্ৰত অৰিহনা যোগাব লাগে। তেওঁ কয়, যে ব্ৰিকছ্ কেৱল কেইখনমান ৰাষ্ট্ৰৰ সমষ্টি নহয়, বৰঞ্চ এয়া হৈছে সমাধানৰ এটা পৰিস্থিতি তন্ত্ৰ। বিগত দুটা দিনৰ আলোচনাই এই বিশ্বাসক অধিক শক্তিশালী কৰিলে বুলি তেওঁ মন্তব্য কৰে। শ্ৰীমোদীয়ে সন্মিলনত গৃহীত নতুন দিল্লী ঘোষণাই উমৈহতীয়া দৰ্শন আৰু ভৱিষ্যতৰ সহযোগিতাৰ বাবে স্পষ্ট নিৰ্দেশনা প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ব্ৰিকছ্ৰ পৰিকাঠামো যাতে নথিৰ বাহিৰলৈ গৈ প্ৰকৃতাৰ্থত স্পষ্ট প্ৰভাৱ সৃষ্টি কৰে সেয়া নিশ্চিত কৰাৰ বাবে ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীয়ে একেলগে কাম কৰিব।

**বাইট (পি এম)-১**

ব্ৰিকছে সম্প্ৰতি তিনিটা দশকত ভৰি দিবলৈ সাজু হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে বিশ্বই এতিয়া এই ৰাষ্ট্ৰগোষ্ঠীৰ পৰা কেৱল ধাৰণা আৰু প্ৰতিশ্ৰুতি নহয় বৰঞ্চ সুনিৰ্দিষ্ট ফলাফল আশা কৰে। সামহিক প্ৰচেষ্টাৰ জৰিয়তে ব্ৰিকছে এয়া আশাক পূৰণ কৰিব বুলি তেওঁ আস্থা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে ব্ৰিকছ্ৰ পৰৱৰ্তী অধ্যক্ষতাৰ বাবে চীনক শুভেচ্ছা জনায়।

**বাইট (পি এম)-২**

ooooo

দেশজুৰি আজি হিন্দী দিৱস উদযাপন কৰা হৈছে। ১৯৪৯ চনৰ আজিৰ দিনটোতে সংবিধান সভাই দেৱনাগৰি লিপিত লিখা হিন্দী ভাষাক দেশৰ চৰকাৰী ভাষা হিচাপে গ্ৰহণ কৰিছিল। বৰ্তমান সময়ত বিশ্বৰ

ভালেসংখ্যক লোকে হিন্দী ভাষা ব্যৱহাৰ কৰাৰ লগতে ৫২ কোটিৰো অধিক লোকৰ প্ৰথম ভাষা হৈছে হিন্দী।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নৱী মুম্বাইত ষষ্ঠ সৰ্বভাৰতীয় ৰাজভাষা সন্মিলন আৰু হিন্দী দিৱস ২০২৬ৰ আৰম্ভণি সত্ৰত অংশগ্ৰহণ কৰিব। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত চৰকাৰী ভাষা বিভাগে দুদিনীয়া কাৰ্যসূচীৰে এই সন্মিলনৰ আয়োজন কৰিছে। সন্মিলনত বিভিন্ন ভাৰতীয় ভাষাৰ সৈতে হিন্দীৰ সমন্বয়ৰ উপৰি চৰকাৰী ভাষা, জনসাধাৰণৰ ভাষা আৰু সংযোগী ভাষা হিচাপে হিন্দীৰ প্ৰসাৰ সন্দৰ্ভত বিভিন্ন খণ্ডৰ বিশেষজ্ঞ, সাহিত্যিক, ভাষাবিদ, শিক্ষাবিদ, সংসদৰ সদস্য, জ্যেষ্ঠ চৰকাৰী বিষয়া তথা বিশিষ্ট ব্যক্তিসকলে ভাষণ দিব। আৰম্ভণি সত্ৰত শ্ৰীশ্বাহে হিন্দী ভাষাৰ ব্যৱহাৰ আৰু সংবৰ্ধনৰ ক্ষেত্ৰত আগবঢ়োৱা বৰঙণিৰ বাবে কেইবাগৰাকীও ব্যক্তি তথা প্ৰতিষ্ঠানক ২০২৫-২৬ বৰ্ষৰ ৰাজভাষা গৌৰৱ আৰু ৰাজভাষা কীৰ্তি বঁটা প্ৰদান কৰিব। এই সত্ৰৰ সৈতে সংগতি ৰাখি ৰাষ্ট্ৰগীত বন্দে মাতৰম আৰু এই গীতৰ ঐতিহাসিক, ভাষিক আৰু সাংস্কৃতিক তাৎপৰ্য সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হ'ব। এই সন্মিলনত বন্দে মাতৰমৰ প্ৰতি উৎসৰ্গিত ৰাজভাষা ভাৰতীৰ এটা বিশেষ সংস্কৰণকে ধৰি কেইবাখনো গ্ৰন্থ মুকলি কৰা হ'ব।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ১৭ ছেপ্তেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ ৰাষ্ট্ৰজুৰি মাহজোৰা সেৱা সংকল্প অভিযান আয়োজনৰ কথা কালি ঘোষণা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজহুৱা সেৱা যাত্ৰাৰ ২৫ বৰ্ষপূৰ্তি আৰু ২০৪৭ চনৰ ভিতৰত জনসাধাৰণৰ অংশগ্ৰহণৰ জৰিয়তে বিকশিত ভাৰত নিৰ্মাণৰ সংকল্প শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে এই অভিযান চলোৱা হ'ব। মুম্বাইত কালি এখন সংবাদমেলত শ্ৰীশ্বাহে কয়, যে সমগ্ৰ দেশতে বিজেপি, এন ডি এৰ অংশীদাৰসকল, স্বেচ্ছাসেৱী সংস্থা আৰু নাগৰিকসকলে এই অভিযানৰ আয়োজন কৰিব। প্ৰতিখন ৰাজ্য, কেন্দ্ৰীয়শাসিত অঞ্চল, জিলা, লোকসভা আৰু বিধানসভা সমষ্টি তথা বুথ পৰ্যায়ত এই অভিযান চলোৱা হ'ব। অভিযানকালত ৰক্তদান, সেৱা দিৱসৰ অধীনত ৰাইজক ধন্যবাদ জ্ঞাপন, মোৰ সপোনৰ ভাৰত শীৰ্ষক বক্তৃতা আৰু চিত্ৰাংকন প্ৰতিযোগিতা, অংগনৱাড়ী আৰু আশাকৰ্মীসকলক সন্মান প্ৰদৰ্শন আৰু চৰকাৰী আঁচনিৰ হিতাধিকাৰীসকলৰ সফলতাৰ কাহিনী প্ৰচাৰৰ ব্যৱস্থা কৰা হ'ব। ১৭ অক্টোবৰত সু-প্ৰশাসন সন্দৰ্ভত চাৰিটা স্থানত আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। তদুপৰি এই অভিযানৰ সময়ছোৱাত সেৱা জ্যোতি কলহ যাত্ৰা, সেৱা সেতু অভিযান, বৰনগৰ-বাৰাণসী সেৱা যাত্ৰা, সেৱা ক্ষেত্ৰত মোৰ অৱদান আদি ভিন ভিন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব বুলি গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

দেশজুৰি আজি শ্ৰদ্ধা আৰু উলহ-মালহেৰে গণেশ চতুৰ্থী পালন কৰা হৈছে। এই দিনটো ভগৱান গণেশৰ জন্মদিন হিচাপে পালন কৰা হয় যি হৈছে জ্ঞান, সমৃদ্ধি আৰু সৌভাগ্যৰ প্ৰতীক। বিনায়ক চতুৰ্থী বা গণেশ উৎসৱ হিচাপেও পৰিচিত এই দিনটোৰ পৰাই ১০ দিনীয়া মহোৎসৱ আৰম্ভ হয় আৰু ভক্তসকলে ভগৱান গণেশৰ মৃণ্ময় মূৰ্তি ঘৰত ৰাখি পূজা-অৰ্চনা কৰে। গণেশ বিসৰ্জনৰ বিশাল আয়োজনেৰে এই মহোৎসৱৰ সামৰণি পৰে। ভগৱান গণেশৰ মূৰ্তি বিসৰ্জনে সৃষ্টি আৰু বিনাশৰ প্ৰক্ৰিয়াক চিহ্নিত কৰে। গণেশ চতুৰ্থী মহাৰাষ্ট্ৰৰ প্ৰধান উৎসৱসমূহৰ অন্যতম আৰু ৰাজ্যখনৰ লোকসকলে অতি উলহ-মালহেৰে এই উৎসৱ পালন কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গণেশ চতুৰ্থী উপলক্ষে জনসাধাৰণক শুভেচ্ছা জনাইছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে ভগৱান গণেশ হৈছে জ্ঞান, সমৃদ্ধি আৰু পৱিত্ৰ আৰম্ভণিৰ প্ৰতীক। গণেশ চতুৰ্থী

মহোৎসৱে আমাৰ জীৱনলৈ শক্তি, জ্ঞান আৰু ইতিবাচক চিন্তা কঢ়িয়াই আনে বুলি শ্ৰীমুৰ্মুৱে উল্লেখ কৰে। তেওঁ কয়, যে এই পৱিত্ৰ উৎসৱে সকলোকে নতুন সংকল্পৰে প্ৰগতিৰ পথেৰে আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে ভগৱান গণেশে প্ৰত্যেককে জীৱনলৈ সুখ, শান্তি, সুস্বাস্থ্য আৰু সমৃদ্ধি কঢ়িয়াই অনাৰ বাবে প্ৰাৰ্থনা কৰে।

০০০০০

চীনৰ মকীত অনুষ্ঠিত জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰতৰ পুৰুষ আৰু মহিলা দলে খিতাপ দখল কৰিছে। ভাৰতৰ পুৰুষ দলে ফাইনেলত দক্ষিণ কোৰিয়াক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতৰ হৈ অজিত যাদৱ, অনমোল ইক্কা, প্ৰভাদ্বীপ সিং আৰু আশ্বু মৌৰ্যাই এটাকৈ গ'ল দিয়ে। এই জয়েৰে ভাৰতে প্ৰতিযোগিতাখনত ষষ্ঠবাৰৰ বাবে খিতাপ দখলৰ অভিলেখ গঢ়ে। ইয়াৰ পূৰ্বে ২০০৪, ২০০৮, ২০১৫, ২০২৩ আৰু ২০২৪ চনত ভাৰতে জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত জয়লাভ কৰিছিল।

ইপিনে ভাৰতৰ মহিলা হকী দলে ফাইনেলত চীনক ১-০ গ'লত পৰাস্ত কৰি খিতাপ জয় কৰে। দলৰ হৈ খেলখনৰ ১৭ মিনিটত ছানিকা চন্দ্ৰকান্ত মানেই একমাত্ৰ গ'লটো দিয়ে। ইয়াৰ পূৰ্বে ভাৰতৰ মহিলা দলে ২০২৩ আৰু ২০২৪ চনত প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছিল। পুৰুষ আৰু মহিলা দুয়োটা দলে এছিয়া কাপৰ খিতাপ জয়ৰ সুবাদত জুনিয়ৰ হকী বিশ্বকাপৰ বাবে যোগ্যতা অৰ্জন কৰিছে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই সাফল্যৰ বাবে পুৰুষ-মহিলা দুয়োটা দলকে শুভেচ্ছা জনাইছে। এটা বাৰ্তাত শ্ৰীৰাধাকৃষ্ণণে কয়, যে এই উল্লেখনীয় সাফল্যত যুৱ খেলুৱৈসকলৰ অপৰিসীম দক্ষতা, নিয়মানুৱৰ্তিতা আৰু দৃঢ়তাকেই প্ৰতিফলিত কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুয়োটা দলকে অনাগত দিনত অধিক সফলতা লাভৰ বাবে শুভেচ্ছা জনায়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে তেওঁলোকৰ খেলপথাৰত উৎকৃষ্ট প্ৰদৰ্শনে দেশৰ নতুন খেলুৱৈসকলক অনুপ্ৰাণিত কৰিব।

০০০০০

ডুবাইত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত যোৱা নিশা ভাৰতে শ্ৰীলংকাক ৭২ ৰানত পৰাস্ত কৰি অষ্টমবাৰৰ বাবে এছিয়া কাপৰ খিতাপ দখলৰ অভিলেখ গঢ়ে। ইয়াকে ধৰি এদিনীয়া আন্তঃৰাষ্ট্ৰীয় আৰু টি-২০ ফৰ্মেটৰ এছিয়া কাপ ফাইনেলত ভাৰতে ষষ্ঠবাৰৰ বাবে শ্ৰীলংকাক পৰাস্ত কৰিছে। ভাৰতে কালি প্ৰথমে বেট ধৰি ৫ উইকেটৰ বিনিময়ত ১৮৩ ৰান সংগ্ৰহ কৰে। দলৰ হৈ শেফালী বাৰ্মাই ৬৮ আৰু স্মৃতি মন্ধানাই ৫৯ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত শ্ৰীলংকাই ১৯ অভাৰ ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১১ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ শ্ৰীচৰণীয়ে ৪টা উইকেট দখল কৰাৰ লগতে দিপ্তী শৰ্মাই ৩টা উইকেট লাভ কৰে। শেফালী প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

০০০০০

সমাপ্ত